**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 10-12-2025 **Time :** 1100 Hrs.

0000000000

ঐতিহাসিক অসম আন্দোলনত প্ৰাণ আহুতি দিয়া শ্বহীদৰ স্মৃতিত শ্ৰদ্ধা জনাই আজি ৰাজ্যজুৰি শ্বহীদ দিৱস পালন কৰা হৈছে। অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ এই আন্দোলনত অংশ লৈ বহু লোকে জীৱন হেৰুৱাইছিল। বহু লোক কাললৈ ঘূণীয়া হৈছিল। ১৯৮৫ চনত অসম চুক্তি স্বাক্ষৰিত হোৱাৰ লগে লগে অসম আন্দোলনৰ পৰিসমাপ্তি ঘটিছিল যদিও অসম আন্দোলনৰ ছহিদসকলে প্ৰাপ্য স্বীকৃতিৰ পৰা বঞ্চিত হৈছিল। শেহতীয়াকৈ অসম চৰকাৰৰ উদ্যোগত অসম আন্দোলনৰ ছহিদসকলৰ প্ৰকৃত সংখ্যা নিৰূপণ কৰা হ'ল আৰু তেওঁলোকৰ তথ্য প্ৰণালীবদ্ধভাৱে সংৰক্ষণ কৰা হ'ল। এই প্ৰয়াসৰ অংশ হিচাপে গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত প্ৰায় ১০০ কোটি টকা ব্যয়সাপেক্ষে ছহিদ স্মাৰক ক্ষেত্ৰ নিৰ্মাণৰ কাম আৰম্ভ কৰা হ'ল আৰু এই কাম সম্পূৰ্ণ হৈ উঠিল। এই ছহিদ স্মাৰকত মুঠ ৮৬০গৰাকী ছহিদৰ বহুসংখ্যকৰে প্ৰতিচ্ছবি সংৰক্ষণ কৰা হৈছে আৰু তেওঁলোকৰ আত্মবলিদানৰ বিষয়ে খোদিত কৰা হৈছে। অৱশেষত শ্বহীদসকলৰ ত্যাগৰ প্ৰতি প্ৰদৰ্শন কৰা এই স্বীকৃতিয়ে শ্বহীদ পৰিয়ালসমূহক আনন্দিত কৰি তুলিছে। ১৯৭৯ চনৰ আজিৰ দিনটোতে ভৱানীপুৰত প্ৰতিবাদ সাব্যস্ত কৰিবলৈ গৈ প্ৰাণ হেৰুওৱা খৰ্গেশ্বৰ তালুকদাৰৰ স্মৃতিত শ্ৰদ্ধা জনাই এই দিনটোক শ্বহীদ দিৱস হিচাপে পালন কৰিবলৈ লোৱা হৈছিল।

শ্বহীদ দিৱস উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কিছু সময়ৰ পাছতে পশ্চিম বৰাগাঁৱত নিৰ্মিত শ্বহীদ স্মাৰক ক্ষেত্ৰৰ উদ্বোধন কৰিব। অসমত আন্দোলনৰ ৮৬০ গৰাকী জাতীয় শ্বহীদৰ স্মৃতিত ১৭০ কোটি টকা ব্যয়েৰে ১৫০ বিঘাৰো অধিক ভূমি সামৰি এই স্মাৰক ক্ষেত্ৰ আৰু শ্বহীদ স্তম্ভ সাজি উলিওৱা হৈছে। কালি মুখ্যমন্ত্ৰীয়ে স্মাৰক ক্ষেত্ৰত শ্বহীদ প্ৰণাম জ্যোতি প্ৰজ্বলন কৰে। লগতে ৮৬০ গছি বন্তি প্ৰজ্বলন কৰি অসম আন্দোলনৰ বীৰ শ্বহীদসকললৈ শ্ৰদ্ধা নিবেদন কৰা হয়। মন্ত্ৰী অতুল বৰা, কেশৱ মহন্ত, বিমল বৰা, পীয়ুষ হাজৰিকা আৰু জয়ন্ত মল্ল বৰুৱাৰ লগতে সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বৰ উপৰি ৰাজ্য চৰকাৰৰ কেইবাগৰাকী জ্যেষ্ঠ বিষয়া উপস্থিত থাকে। সংবাদ মাধ্যমৰ সন্মুখত মন্তব্য কৰি ড° শৰ্মাই কয়, যে স্মাৰক ক্ষেত্ৰখন অসমীয়া জাতি বিশ্বৰ বুকুত গৌৰৱেৰে জীয়াই থকাৰ সংকল্পৰ এটা প্ৰতীক আৰু জাতিৰ বাবে প্ৰেৰণাৰ কেন্দ্ৰ হৈ থাকিব। মুখ্যমন্ত্ৰীয়ে লগতে শ্বহীদ স্মাৰক ক্ষেত্ৰৰ কেন্দ্ৰীয় কাৰ্যসূচীৰ উপৰি ৰাজ্যৰ সকলো জিলাত তথা সমজিলা সদৰত আয়োজন কৰা শ্বহীদ দিৱসৰ কাৰ্যসূচীত সকলোকে ভাগ ল'বলৈ আহ্বান জনায়।

উল্লেখযোগ্য যে, শ্বহীদ দিৱসৰ আজিৰ কেন্দ্ৰীয় কাৰ্যসূচীত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰিব।

ৰাজ্যৰ প্ৰতিখন জিলাতে জিলা প্ৰশাসনৰ উদ্যোগত ভিন্ন কাৰ্যসূচীৰে শ্বহীদ দিৱস পালন কৰা হৈছে।

সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় শ্বহীদ দিৱসৰ কাৰ্যসূচীত সদৌ নগাঁও জিলা ছাত্ৰ সন্থাৰ উদ্যোগত আৰু কলিয়াবৰ কেন্দ্ৰীয় ছাত্ৰ সন্থাৰ ব্যৱস্থাপনাত গান্ধী খেলপথাৰ, কুঁৱৰীটোলত অনুষ্ঠিত হৈছে।

কামৰূপ জিলা প্ৰশাসনৰ উদ্যোগত আৰু ৰঙিয়া সম জিলাৰ সহযোগত ৰঙিয়া মহাবিদ্যালয় খেল পথাৰত দিনৰ ১১ বজাৰ পৰা শ্বহীদ দিৱসৰ কাৰ্যসূচী অনুষ্ঠিত হ'ব।

গোৱালপাৰা জিলাতো জিলা প্ৰশাসনৰ উদ্যোগত গোৱালপাৰা চহৰৰ পি আৰ চৰকাৰী উচ্চতৰ আৰু বহুমুখী বিদ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে শ্বহীদ দিৱস পালন কৰা হ'ব। ধুবুৰী জিলা প্ৰশাসনৰ উদ্যোগতো প্ৰভাত চন্দ্ৰ বৰুৱা খেলপথাৰত দিনজোৰা কাৰ্যসূচীৰে শ্বহীদ দিৱস পালন কৰিবলৈ লোৱা হৈছে।

0000000

ৰাজ্যৰ কেইবাখনো জিলাত গাহৰিৰ দেহত ছোৱাইন ফিভাৰৰ সংক্ৰমণ ধৰা পৰাৰ পৰিপ্ৰেক্ষিতত জিলা সমূহত প্ৰশাসনে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। এই জিলাসমূহত গাহৰি মাংসৰ ক্ৰয়-বিক্ৰী আৰু সৰবৰাহ নিষিদ্ধ কৰাৰ লগতে সংক্ৰমিত

এলেকাৰ গাহৰিক নিধন কৰা হৈছে। মাজুলি জিলা প্ৰশাসন আৰু জিলা পশু চিকিৎসা বিভাগে এই ৰোগৰ সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি বিশেষ সতৰ্কতা জাৰি কৰিছে। জিলাখনত অনিৰ্দিষ্টকাললৈ গাহৰি মাংসৰ ক্ৰয়-বিক্ৰীৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। জিলা প্ৰশাসন আৰু পশু চিকিৎসা বিভাগে এই আইন অমান্য কৰা সকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱা হ'ব বুলি প্ৰকাশ কৰিছে।

**-বাইট-**

০০০০০০০

ভাৰতীয় গণসংযোগ প্ৰতিষ্ঠান-আই আই এম চিয়ে কেন্দ্ৰীয় চৰকাৰৰ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ সহযোগত আজি আৰু কাইলৈ গুৱাহাটীত আঞ্চলিক সামূহিক অনাতাঁৰ কেন্দ্ৰ সন্মিলনৰ আয়োজন কৰিছে। ভাৰতত সামূহিক অনাতাঁৰ সেৱাৰ ২০ বছৰ পূৰ্ণ হোৱা উপলক্ষে আয়োজিত এই সন্মিলনৰ জৰিয়তে উত্তৰ পূৰ্বাঞ্চলৰ সামূহিক অনাতাঁৰ কেন্দ্ৰৰ সৈতে জড়িত ব্যক্তি, প্ৰতিষ্ঠান, গণ মাধ্যমৰ শিক্ষক, চৰকাৰী প্ৰতিনিধি আৰু বিশেষজ্ঞসকলক একেখন মঞ্চত উপবিষ্ট কৰোৱা হ'ব। গুৱাহাটীৰ আজাৰাত আজি দিনৰ ১০ বজাৰ পৰা এই সন্মিলন অনুষ্ঠিত হ'ব।

০০০০০০০

গুৱাহাটী মহানগৰীৰ এ বি চিৰ সোহম এম্পৰিয়াত যোৱানিশা সংঘটিত অগ্নিকাণ্ডত বিস্তৰ ক্ষতি হৈছে আৰু এতিয়ালৈ সম্পূৰ্ণৰূপে অগ্নি নিৰ্বাপন কৰিব পৰা হোৱা নাই। অট্টালিকাটোৰ প্ৰথম মহলাত অগ্নিকাণ্ডৰ সূত্ৰপাত ঘটাৰ পাছত প্ৰায় ছটাকৈ মহলা জুইয়ে ছানি ধৰে। অগ্নি নিৰ্বাপক বাহিনী আৰু উদ্ধাৰকাৰী দলে জুই নুমুওৱাৰ চেষ্টা কৰি আছে যদিও সম্পূৰ্ণৰূপে অগ্নি নিৰ্বাপন কৰিবলৈ সমৰ্থ হোৱা নাই। অট্টালিকাটোৰ দ্বিতীয় মহলাত থকা ভাৰতীয় ষ্টেটবেংকৰ কেইবাটাও শাখাত অগ্নিকাণ্ডৰ ফলত ব্যাপক ক্ষতি হৈছে।

০০০০০০০

গোৱালপাৰা জিলাৰ লক্ষীপুৰ নগৰৰ শ্মশানঘাটৰ বিপৰীতে থকা জিঞ্জিৰাম নৈৰ বাওঁফালে খহনীয়া প্ৰতিৰোধৰ বাবে কালি বিয়লি এখন আঁচনিৰ আধাৰশিলা স্থাপন কৰা হয়। গোৱালপাৰা জলসম্পদ সংমণ্ডলৰ অধীনৰ এই আঁচনিখনৰ আধাৰশিলা অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ সঞ্চালক ড° কাশ্যপ প্ৰকাশে স্থাপন কৰে। অঞ্চলটোৰ খহনীয়া প্ৰতিৰোধৰ বাবে নাবাৰ্ডৰ পুঁজিৰ শিতানত ১ কোটি ৬৭ লাখ টকা মোকলাই দিয়া হৈছে। উল্লেখযোগ্য যে এই আঁচনিৰ দ্বাৰা অঞ্চলটোৰ লগতে লক্ষীপুৰ শ্মশানঘাট আৰু কবৰস্থান সুৰক্ষিত হ'ব।

০০০০০০০

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশমৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত আজি বিয়লি ৩ বাজি ৫ মিনিটত কাছাৰ জিলা স্বাস্থ্য বিভাগৰ দ্বাৰা ৰূপায়িত আঁচনি সন্দৰ্ভত জিলাখনৰ যুটীয়া স্বাস্থ্য সঞ্চালক শিৱানন্দ ৰয়ৰ সৈতে হোৱা এটি সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ কৰিব আমাৰ কাছাৰ জিলাৰ সংবাদদাতা আঁখি ৰাণী দাসে। অনুষ্ঠানটি নিশা ৯ বাজি ১৫ মিনিটত পুনৰ প্ৰচাৰ কৰা হ'ব।

০০০০০০০

বোকাখাতৰ লতাবাৰীৰ ৰয়েল আবাসৰ সন্মুখত যোৱানিশা সংঘটিত পথ দুৰ্ঘটনাত দুজন লোকৰ থিতাতে মৃত্যু হয়। নগাঁৱৰ ডবকাৰ পৰা চিমেণ্টভৰ্তি এখন ট্ৰাক যোৰহাট অভিমুখে গৈ থাকোতে নিয়ন্ত্ৰণ হেৰুৱাই খাৰৈত বাগৰি পৰাত এই দুৰ্ঘটনা সংঘটিত হয়। নিহত লোক দুজন দুৰ্ঘটনাগ্ৰস্ত ট্ৰাকখনৰ চালক আৰু হেণ্ডিমেন বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে। বৰ্তমানলৈ নিহত চালক আৰু হেণ্ডিমেনৰ পৰিচয় উদ্ধাৰ হোৱা নাই যদিও দুয়োজন নগাঁৱৰ ডবকাৰ বাসিন্দা বুলি জানিব পৰা গৈছে।

০০০০০০০

**সমাপ্ত**